**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-12-2024 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটা প্ৰদান কৰিব। তৃণমূল পৰ্যায়ত প্ৰশাসন আৰু উন্নয়নত দেখুওৱা পাৰদৰ্শিতাৰ বাবে এইবাৰ বিভিন্ন শিতানত মুঠ ৪৫ খন পঞ্চায়তক বাছনি কৰা হৈছে। মাজুলীৰ উজনি মাজুলী উন্নয়ন খণ্ডৰ অন্তৰ্গত জেংৰাই গাঁও পঞ্চায়তলৈ আজি ৰাষ্ট্ৰপতিয়ে এই বঁটা প্ৰদান কৰিব। উল্লেখযোগ্য যে ‘শিশুৰ বাবে অনুকুল পঞ্চায়ত’ শীৰ্ষক বিষয়ত পঞ্চায়তখনে দেশৰ ভিতৰতে প্ৰথম স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। এই বঁটা প্ৰদান অনুষ্ঠানত বিভাগীয় কেন্দ্ৰীয় ৰাজীৱ ৰঞ্জন সিঙে বঁটা বিজয়ী পঞ্চায়তসমূহৰ অভিনৱ আৰু প্ৰভাৱশালী পদ্ধতি সম্বলিত এখন পুস্তিকা উন্মোচন কৰিব। মন্ত্ৰালয়ে বিবৃতিযোগে কয়, যে এই বঁটা প্ৰদান অনুষ্ঠানৰ জৰিয়তে অন্যান্য পঞ্চায়তসমূহক উত্তম পদ্ধতি গ্ৰহণ কৰিবলৈ আৰু দেশৰ গ্ৰামাঞ্চলসমূহৰ সামগ্ৰিক উন্নয়নত অৰিহনা যোগাবলৈ অনুপ্ৰাণিত কৰাৰ লক্ষ্য লোৱা হৈছে।

০০০০০০

শাসকীয় আৰু বিৰোধী পক্ষৰ মাজত হোৱা তুমুল বাক-বিতণ্ডাৰ বাবে ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকা দুপৰীয়া ১২ বজালৈ স্থগিত ৰখা হৈছে। পুৱাৰ ভাগত উচ্চ সদন মিলিত হোৱাৰ সময়ত সভাপতি জগদীপ ধনখড়ে বিভিন্ন বিষয় লৈ বিৰোধী পক্ষৰ সাংসদসকলে দাখিল কৰা সভাস্থগিতকৰণৰ জাননী প্ৰত্যাখ্যান কৰে। ইয়াৰ পাছতে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে ৰাজ্যসভাৰ সভাপতিৰ বিৰুদ্ধে দাখিল কৰা অনাস্থা প্ৰস্তাৱৰ জাননীৰ বাবে বিৰোধী পক্ষক তীব্ৰ গৰিহণা দিয়ে। তেওঁ কয়, যে কংগ্ৰেছে ইয়াৰ বাবে ক্ষমা খোজা উচিত আৰু চৰকাৰে সভাপতিৰ ভাৱমূৰ্তি ম্লান কৰিব খোজা সকলো চেষ্টা ব্যৰ্থ কৰিব। শ্ৰী ৰিজিজুৰ অভিযোগ প্ৰত্যাখ্যান কৰি কংগ্ৰেছ সাংসদ প্ৰমোদ তিৱাৰীয়ে কয় যে তেওঁলোকে সংবিধানক বিশ্বাস কৰে। এন ডি এ চৰকাৰে সংবিধান পৰিৱৰ্তন কৰাৰ চেষ্টা চলোৱা বুলি তেওঁ অভিযোগ তোলে। এনে হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে সভাপতিয়ে সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰাখে।

০০০০০০০০

ৰাজ্য চৰকাৰৰ উদ্যোগত আজি শিক্ষা, ৰাজহ, উদ্যোগ আৰু বিত্ত বিভাগৰ জৰিয়তে সকলো জিলাতে **বিকাশৰ ১২ দিন** শীৰ্ষক উন্নয়ন কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হৈছে। আজি গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ **বিকাশৰ ১২ দিন**ৰ কাৰ্যসূচী শুভাৰম্ভ কৰে।

ৰাজ্য চৰকাৰে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ জৰিয়তে দুৰ্যোগত ক্ষতিগ্ৰস্ত পৰিয়াললৈ সাহায্য প্ৰদান কৰা হ'ব। লগতে কৃষি, মীণ, পশুপালন আৰু পশুচিকিৎসা খণ্ডত ক্ষতিগ্ৰস্ত পৰিয়ালনৈ সাহায্য আগবঢ়োৱা হয়। ৰাজ্যৰ মাইক্ৰ'ফাইনেন্সৰ ঋণীক No Dues Certificate প্ৰদান কৰা হ'ব।

এই কাৰ্যসূচীৰ অংশ হিচাপে ৰাজ্য চৰকাৰৰ প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত আজিৰেপৰা ২৬ হাজাৰ ৯৬৯ গৰাকী শিক্ষাৰ্থীলৈ আনন্দৰাম বৰুৱা বঁটা প্ৰদানৰ শুভাৰম্ভ কৰা হৈছে। একেদৰে ড° বাণীকান্ত কাকতি বঁটা প্ৰদান আঁচনিৰ অধীনত দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত কৃৰ্তিত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীক স্কুটী বিতৰণ কাৰ্যসূচীৰ আজি শুভাৰম্ভ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে এই বঁটা প্ৰদানৰ শুভাৰম্ভ কৰাৰ পাছত পৰৱৰ্তী সময়ত প্ৰতিখন জিলাতে এই বঁটাসমূহ প্ৰদান কৰা হ'ব। আনহাতে, ড° বাণীকান্ত কাকতি বঁটা প্ৰদান কাৰ্যসূচীৰ অধীনত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰ আৰু ৬০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰীক স্কুটী প্ৰদান কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হৈছে। চলিত বছৰত মুঠ ৪৮ হাজাৰ ৬৭৩ গৰাকী ছাত্ৰ-ছাত্ৰীক শিক্ষা বিভাগে এই বঁটা প্ৰদান কৰিব।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে ইয়াৰ বাতৰি আৰু আন অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলৰ পৰা পোনপটীয়াকৈ মতামত, অভিযোগ আৰু পৰামৰ্শ লোৱাৰ ব্যৱস্থা কৰিছে। ইয়াৰ বাবে ৯৮৬৪০-৫৫৫৬৬ নম্বৰৰ Whatsapp যোগে মতামত গ্ৰহণৰ

ব্যৱস্থা মুকলি কৰা হৈছে। শ্ৰোতাসকলৰ পৰা লাভ কৰা টেক্সট বা ভইচ বাৰ্তাৰ আধাৰত প্ৰতিমাহে একোটাকৈ অনুষ্ঠান প্ৰচাৰৰো দিহা কৰা হৈছে। অহা শনিবাৰ ১৪ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত ইয়াৰ প্ৰথম খণ্ড প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ এই দুটা নম্বৰত অভিমত আৰু প্ৰশ্ন উত্থাপন কৰিব পাৰিব।

শ্ৰোতাসকলে আমাৰ ফেচবুক পেজ **এ আই আৰ নিউজ গুৱাহাটী** আৰু **এক্স হেণ্ডেলত-এ আই আৰ নিউজ_জি এইচ ৱাইত** কমেণ্ট কৰিও মতামত আৰু প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

০০০০০০০

ৰাজ্যৰ অন্যান্য জিলাৰ লগতে বিশ্বনাথ জিলাত কাইলৈৰ পৰা ২৬ ডিচেম্বৰলৈ কুষ্ঠৰোগ চিনাক্তকৰণ অভিযান ৰূপায়ণ কৰা হ'ব। ৰাষ্ট্ৰীয় কুষ্ঠ ৰোগ নিৰ্মূলকৰণ আঁচনিৰ অধীনত জিলা স্বাস্থ্য বিভাগ আৰু বিশ্বনাথ শাখা স্বাস্থ্য অভিযানৰ অধীনত এই অভিযান ৰূপায়ণ কৰা হ'ব। জিলাখনৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকে কালি এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰি এই ৰোগৰ লক্ষণ দেখা দিয়া মাত্ৰেই লুকুৱাই নাৰাখি স্বাস্থ্য কৰ্মীৰ সৈতে যোগাযোগ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

০০০০০০০০

বৰপেটা জিলাৰ সৰ্থেবাৰী আৰু মাজদিয়া আৰক্ষীয়ে যুটীয়াভাৱে অভিযান চলাই কালি এজন মাদক দ্ৰব্যৰ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে সৰবৰাহকাৰীজনৰ পৰা বুজন পৰিমাণৰ নিচাযুক্ত দ্ৰব্য জব্দ কৰে। আৰক্ষীয়ে লোকজনৰ পৰা বুজন পৰিমাণৰ হেৰ'ইন জব্দ কৰিছে বুলি প্ৰকাশ কৰিছে। ধৃত লোকজনৰ বিৰুদ্ধে সৰ্থেবাৰীৰ থানাত আৰক্ষীয়ে নিজাববীয়াকৈ গোচৰ ৰুজু কৰিব বুলি প্ৰকাশ কৰিছে।

০০০০০০০০

পাৰ্থত অনুষ্ঠিত মহিলা ক্ৰিকেটৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত আজি অষ্ট্ৰেলিয়াই প্ৰথমে বেট ধৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ৪ উইকেটৰ বিনিময়ত ১১৭ ৰান কৰি খেলি আছে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়।

ইতিমধ্যে অষ্ট্ৰেলিয়াই এই শৃংখলাত ২-০ৰ ফলাফলত অগ্ৰগতি লাভ কৰি আছে। দলটোৱে ৫ উইকেটত প্ৰথমখন মেচ আৰু ১২২ ৰাণৰ বৃহৎ ব্যৱধানত দ্বিতীয়খন মেচত জয়লাভ কৰিছিল। প্ৰথম দুয়োখন খেল ব্ৰিছবেনত অনুষ্ঠিত হৈছিল। দুয়োখন মেচত ১৪৭ ৰাণ সংগ্ৰহ কৰি অষ্ট্ৰেলিয়াৰ জৰ্জিয়া ভ'ল শৃংখলাৰ শীৰ্ষ স্থানত আছে। ইয়াৰ বিপৰীতে ছটা উইকেট দখলেৰে মেগান শ্বুট তালিকাৰ শীৰ্ষত আছে।

০০০০০০০০

সমাপ্ত